# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-09-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱক-যুৱতীসকলক পূৰ্বৰ প্ৰজন্মসমূহতকৈও ডাঙৰ সপোন দেখিবলৈ আৰু বিশ্বক নেতৃত্ব দিব পৰা গোলকীয় পৰামৰ্শ, হিচাপ-নিকাচ, বিত্তীয় আৰু আইনী কোম্পানী গঢ়ি তুলিবলৈ আহ্বান জনাইছে।

২। গোলকীয় অনিশ্চয়তা স্বত্বেও ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৭ দশমিক ৮ শতাংশ হৈছে আৰু ইয়াৰ পৰা দেশৰ অৰ্থব্যৱস্থাৰ সামৰ্থ প্ৰতিফলিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছে।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে অসম, মেঘালয়, মণিপুৰ আৰু অৰুণাচল প্ৰদেশলৈ আহিব।

৪। ছত্তীশগড়ত ৰাষ্ট্ৰীয় তদন্ত সংস্থাৰ বিশেষ আদালতে ঝিৰাম মাওবাদী আক্ৰমণৰ গোচৰত ১০ জন অভিযুক্তক দোষী সাব্যস্ত কৰিছে।

*আৰু*

৫। ভাৰতে যোৱা নিশা মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱক-যুৱতীসকলক পূৰ্বৰ প্ৰজন্মসমূহতকৈও ডাঙৰ সপোন দেখিবলৈ আৰু বিশ্বক নেতৃত্ব দিব পৰা গোলকীয় পৰামৰ্শ, হিচাপ-নিকাচ, বিত্তীয় আৰু আইনী কোম্পানী গঢ়ি তুলিবলৈ আহ্বান জনাইছে। দিল্লী বিশ্ববিদ্যালয়ৰ শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপনৰ অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এইদৰে আহ্বান জনায়। তেওঁ কয়, যে ভাৰতীয়সকলে সম্প্ৰতি বিশ্বৰ আগশাৰীৰ কোম্পানীসমূহৰ নেতৃত্ব বহন কৰি আছে আৰু তেওঁলোকে নিজাববীয়াকৈ কোম্পানী গঠন কৰিব নোৱাৰাৰ কোনো কথা নাই।

শ্ৰীমোদীয়ে কয়, যে গোলকীয় অনিশ্চয়তা স্বত্বেও ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৭ দশমিক ৮ শতাংশ হৈছে আৰু ইয়াৰ পৰা দেশৰ অৰ্থব্যৱস্থাৰ সামৰ্থ প্ৰতিফলিত হৈছে। তেওঁ কয়, যে ভাৰতে নীতি স্থবিৰতাৰ যুগৰ পৰা নীতি গতিশীলতাৰ দিশে দীঘলীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে। ভাৰত সবাতোকৈ দ্ৰুত বিকাশশীল বৃহৎ অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হোৱা যাত্ৰা বিশ্বই প্ৰত্যক্ষ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। অতীতৰ সংঘৰ্ষ

আৰু বৰ্তমানৰ সাফল্যৰ তুলনা কৰি শ্ৰীমোদীয়ে কয়, যে সন্ত্ৰাসবাদক পৰাভূত কৰা হৈছে, সশস্ত্ৰ বাহিনীসমূহে আত্মবিশ্বাসেৰে ঘৰতে শত্ৰুক নিধন কৰিছে আৰু জম্মু-কাশ্মীৰৰ পৰা উত্তৰ-পূৰ্বাঞ্চললৈ শান্তি ঘূৰি আহিছে।

*বাইট -মোদী*

নিৰন্তৰ সমালোচনা কৰাসকলৰ বাবে প্ৰমাণসিদ্ধ অৰ্থনৈতিক তথ্য প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশত এপ্ৰিল আৰু জুনৰ মাজৰ সময়ছোৱাত বিদ্যুৎ উৎপাদন ৯ শতাংশ বৃদ্ধি পাইছে। তেওঁ কয়, যে এই সময়ছোৱাত বাহানৰ বিক্ৰী সামগ্ৰীকভাৱে ২০ শতাংশৰো অধিক বৃদ্ধি পায়। ইয়াৰে ভিতৰত দুচকীয়া বাহনৰ বিক্ৰী প্ৰায় ২০ শতাংশ আৰু তিনিচকীয়া বাহনৰ বিক্ৰী প্ৰায় ৩০ শতাংশ বৃদ্ধি পায়। শ্ৰীমোদীয়ে কয়, যে তীখা আৰু চিমেণ্টৰ ব্যৱহাৰ ৮ শতাংশ বৃদ্ধিৰ পৰা দেশত গৃহ নিৰ্মাণ, নিৰ্মাণ আৰু বাণিজ্যিক কাম-কাজ ক্ষীপ্ৰতাৰে বৃদ্ধি পোৱাটো প্ৰমাণিত হয়। দেশত সম্প্ৰতি স্মাৰ্ট ফোনৰ ৰপ্তানিৰ পৰিমাণ ২ লাখ ৫০ হাজাৰ কোটিৰো অধিক আৰু ঘৰুৱা প্ৰতিৰক্ষা উৎপাদন সৰ্বকালৰ সৰ্বাধিক প্ৰায় ২ লাখ কোটি টকা হোৱা বুলি শ্ৰীমোদীয়ে দাবী কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয়ে প্ৰজন্ম প্ৰজন্ম ধৰি শিক্ষাৰ্থীসকলক শিকাৰ, আগবঢ়াৰ আৰু পৰিৱৰ্তন অনাৰ সুযোগ প্ৰদান কৰি আহিছে। তেওঁ কয়, যে মহাবিদ্যালয়খনে দীঘলীয়া সময় ধৰি নিজৰ সুকীয়া পৰিচয় গঢ়ি তুলিছে আৰু শৈক্ষিক উৎকৰ্ষতাৰ বাবে নাম অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। তেওঁ মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক বিশেষ আৰু অগ্ৰণী বুলি অভিহিত কৰে। মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ, প্ৰাক্তন বিত্তমন্ত্ৰী অৰুণ জেটলীৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে মহাবিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থীসকলে কলাৰ পৰা ৰাজনীতিলৈ সকলো ক্ষেত্ৰতে চাপ এৰিবলৈ সমৰ্থ হৈছে। ১৪০ কোটি ভাৰতীয়ই একেগলে বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়ি তুলিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

*বাইট -মোদী*

অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীয়ে শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয় বছৰ বছৰ ধৰি উচ্চ মান বৰ্তাই ৰখাৰ বাবে মহাবিদ্যালয়খনৰ ভূয়ষী প্ৰশংসা কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত সম্প্ৰতি বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্ট আপ অনুকূল ব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে গোলকীয় বজাৰত দক্ষ মানৰ সম্পদৰ চাহিদা আছে আৰু ইয়াৰফলত যুৱ প্ৰজন্মৰ বাবে অপাৰ সুযোগৰ সৃষ্টি হৈছে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে মেট্ৰ' ৰে'লেৰে শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয়ত উপস্থিত হয় আৰু মহাবিদ্যালয়খনৰ শতবৰ্ষ উদযাপন অনুষ্ঠানত ভাগ লয়।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি চাৰিদিনীয়া ভ্ৰমণসূচীৰে অসম, মেঘালয়, মণিপুৰ আৰু অৰুণাচল প্ৰদেশলৈ আহিব। ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এলানি শৈক্ষিক, সাংস্কৃতিক আৰু ৰাজহুৱা অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে ঐতিহাসিক, সামাজিক আৰু ৰাষ্ট্ৰীয় গুৰুত্বৰ কেইবাটাও প্ৰতিষ্ঠানো পৰিদৰ্শন কৰিব।

ভ্ৰমণৰ প্ৰথম দিনা শ্ৰীৰাধাকৃষ্ণণে গুৱাহাটীৰ গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। গীতানগৰ মহাবিদ্যালয়, পূৰ্বতে কন্যা মহাবিদ্যালয় হিচাপে জনাজাত আছিল। ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকী গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত উপস্থিত থাকিব। শ্ৰীৰাধাকৃষ্ণণে কাইলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত

বিনিময় কৰিব। ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰোহিত তথা দৃষ্টিৰোহিত শিক্ষাৰ্থীৰ বাবে থকা ডগ্ৰি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

ooooo

ছত্তীশগড়ত ৰাষ্ট্ৰীয় সংস্থাৰ জগদালপুৰৰ বিশেষ আদালতে ঝিৰাম উপত্যকাত মাওবাদী আক্ৰমণৰ গোচৰৰ দহজন অভিযুক্তক বিভিন্ন অভিযোগত দোষী সাব্যস্ত কৰিছে। এই গোচৰত মুঠ এঘাৰজন অভিযুক্তৰ বিচাৰ চলিছিল আৰু ইয়াৰে এজনৰ বিচাৰৰ সময়ত মৃত্যু হৈছিল। আদালতে দুগৰাকী মহিলাকে ধৰি দহজন অভিযুক্তক ২৯ গৰাকী লোকক হত্যা কৰাৰ লগতে আন পোন্ধৰজন লোকক হত্যাৰ চেষ্টা চলোৱাৰ অভিযোগত দোষী সাব্যস্ত কৰে।

উল্লেখযোগ্য যে, ২০১৩ বৰ্ষৰ মে' মাহত মাওবাদীয়ে ঝিৰাম উপত্যকাত কংগ্ৰেছ নেতাৰ কনভয়ক আক্ৰমণ কৰিছিল। এই আক্ৰমণত কংগ্ৰেছৰ জ্যেষ্ঠ নেতাকে ধৰি ২৯ জন লোক নিহত হয়। প্ৰায় ডেৰ ঘণ্টা ধৰি চলি থকা এই গুলীচালনাত ১৫ জনতকৈ অধিক লোক আহত হয়। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই এই গোচৰৰ তদন্ত কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে যোৱা নিশা গোৱাত উপস্থিত হয়। গোৱাত তেওঁ পশ্চিম খণ্ড পৰিষদৰ ২৮ সংখ্যক বৈঠকৰ অধ্যক্ষতা কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গৃহ মন্ত্ৰালয়ৰ বৈঠকৰ অধ্যক্ষতা, সংবাদমেল সম্বোধন কৰাৰ লগতে বিজেপিৰ নতুন ৰাজ্যিক কাৰ্যালয় অটল ভৱন উদ্বোধন কৰিব। ইয়াৰ পাছত তেওঁ দলটোৰ ৰাজ্যিক মূল সমিতিৰ বৈঠকত মিলিত অংশ ল'ব।

ooooo

মহাৰাষ্ট্ৰৰ মেলঘাট আৰু পেঞ্চ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলে প্ৰজননৰ জৰিয়তে শগুন মুকলি কৰি দিয়াৰ বাবে দেশৰ ভিতৰত সফল স্থান হিচাপে পৰিগণিত হৈছে।

বম্বে নেচাৰেল হিষ্ট্ৰী ছ'চাইটি- বিএনএইচএছৰ তথ্য অনুসৰি ২০২৫ চনৰ ডিচেম্বৰৰ পৰা চলিত বৰ্ষৰ জানুৱাৰী মাহৰ ভিতৰত সমগ্ৰ সংৰক্ষিত বনাঞ্চলত মুকলি কৰি দিয়া ২৯টা শগুণৰ জীয়াই থকাৰ হাৰ ৭৮ শতাংশ পৰ্যন্ত ৰেকৰ্ড কৰা হৈছে। ভাৰতৰ কমি অহা শগুনৰ সংখ্যা বৃদ্ধি আৰু পুনৰুদ্ধাৰৰ বাবে চলি থকা প্ৰচেষ্টাত এই ফলাফলে এটা উল্লেখযোগ্য ভূমিকা পালন কৰিছে। এনে

সংৰক্ষণ প্ৰচেষ্টাই শগুনৰ সংখ্যাক পুনৰুজ্জীৱিত কৰাত সহায় কৰিব আৰু এনেধৰণৰ পক্ষীৰ  শক্তিশালী ভৱিষ্যত নিশ্চিত কৰিব বুলি আশা কৰা হৈছে।

ooooo

ভাৰতে যোৱানিশা ডুবাইত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ৫৬ ৰানত বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৮ অভাৰ আৰু ৪টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইয়াৰ পূৰ্বে পাকিস্তানে প্ৰথম বেট ধৰি ১৮ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৫ ৰান কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ শ্ৰীচৰণী আৰু প্ৰেমা ৰাওতে তিনিটাকৈ উইকেট লাভ কৰে। দিপ্তী শৰ্মাই দুটা উইকেট লাভ কৰে।

ooooo

**সমাপ্ত**